**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::

১। নিৰ্বাচন আয়োগে আজি অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ দিন ঘোষণা কৰিছে।

২। উচ্চতম ন্যায়ালয়ে গংগা নদীৰ পাৰত আৰু বানৰ সম্ভাৱনা থকা সমতলৰ অবৈধ নিৰ্মাণৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতিবেদন দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছে।

৩। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে দেশত পৰ্যাপ্ত ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰিছে। ***আৰু***

৪। ৰাছিয়াৰ এয়াৰ ডিফেন্স ছিষ্টেমে আজি দেশখনৰ ৰাজধানী মস্কো অভিমুখী ইউক্ৰেইনৰ ২৮ খন ড্ৰোন ধ্বংস কৰে।

০০০০০

নিৰ্বাচন আয়োগে আজি অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত অসম, কেৰালাম আৰু পুডুচেৰীৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আয়ুক্তগৰাকীয়ে কয় যে পশ্চিমবংগত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত আৰু ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ১৫২ টা বিধানসভা সমষ্টি আৰু দ্বিতীয় পৰ্যায়ত ১৪২ টা সমষ্টিক সামৰি লোৱা হ'ব। চাৰিওখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলটোত অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। শ্ৰীকুমাৰে কয়, যে নিৰ্বাচনৰ সময়সূচী ঘোষণা হোৱাৰ লগে লগে এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলটোত নিৰ্বাচনী আচৰণ বিধি তৎকালিনভাৱে বলবৎ কৰা হৈছে।

**বাইট**

নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে ৮২৪ টা সমষ্টি সামৰি হ'বলগীয়া নিৰ্বাচনত ১৭ কোটি জনসাধাৰণে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত পশ্চিমবংগৰ ৬ কোটিতকৈ অধিক, তামিলনাডুৰ ৫ কোটিতকৈ অধিক, কেৰালামৰ প্ৰায় ৩ কোটি, অসমৰ ২ কোটিতকৈ অধিক আৰু পুডুচেৰীত ৯ লাখতকৈ অধিক ভোটদাতা আছে। তেওঁ কয় যে এই নিৰ্বাচন হবলগীয়া জিলা আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ২ লাখতকৈ অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে এই কেন্দ্ৰ সমূহত প্ৰায় ২৫ লাখতকৈ অধিক নিৰ্বাচনী বিষয়া নিযুক্ত কৰা হ'ব। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে যাতে খোৱাপানী, শৌচাগাৰ আৰু আন প্ৰয়োজনীয় ব্যৱস্থাসমূহ উপলব্ধ হয় তাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশনা জাৰি কৰা হৈছে বুলি শ্ৰীকুমাৰে উল্লেখ কৰে।

মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে গংগা নদীৰ পাৰ আৰু বানৰ সম্ভাৱনা থকা সমতলত অবৈধ নিৰ্মাণৰ এক বিস্তৃত প্ৰতিবেদন দাখিল কৰি দখলমুক্ত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে অৱগত কৰি কেন্দ্ৰক নিৰ্দেশ দিছে। ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু কে ভি বিশ্বনাথনৰে গঠিত এখন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক গংগাৰ সজীৱতা, সুৰক্ষা আৰু পৰিচালনাৰ অধিসূচনা কাৰ্যকৰী কৰাৰ বাবে এতিয়ালৈকে গ্ৰহণ কৰা পদক্ষেপসমূহৰ তথ্য লিপিবদ্ধ কৰিবলৈ কয়।

গংগা অৱবাহিকাৰ কেইবাখনো ৰাজ্যলৈও আদালতে জাননী জাৰি কৰি কয় যে এই বিষয়টো ব্যক্তিগত গোচৰৰ বাহিৰেও বহল পৰীক্ষাৰ প্ৰয়োজন। ইয়াৰ উপৰিও উচ্চতম ন্যায়ালয়ে কেন্দ্ৰৰ পৰা স্পষ্টীকৰণ বিচাৰিছিল যে সংশ্লিষ্ট কৰ্তৃপক্ষই আদালতে কি নিৰ্দেশনা জাৰি কৰিব বিচাৰে যাতে অধিসূচনাখন ফলপ্ৰসূভাৱে বলবৎ কৰিব পৰা যায় আৰু নদীখনৰ পাৰ আৰু বানপানীৰ সমভূমি যাতে সম্পূৰ্ণৰূপে বেদখলমুক্ত হয়। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ ৩০ জুন, ২০২০ৰ নিৰ্দেশৰ বিৰুদ্ধে পাটনাবাসীয়ে দাখিল কৰা আবেদনৰ উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি এই ৰায় দিয়ে। ২৩ এপ্ৰিলত পৰৱৰ্তী শুনানিৰ বাবে বিষয়টো তালিকাভুক্ত কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে দেশত অনুমোদিত বিক্ৰেতসকলৰ ওচৰত পৰ্যাপ্ত ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰিছে। এটা বিবৃতিত মন্ত্ৰালয়ে ৰন্ধন গেছৰ আগতীয়া বুকিং ক্ৰমান্বয়ে হ্ৰাস পাইছে বুলি উল্লেখ কৰি কয়, যে পৰহি হোৱা ৮৮ লাখ গেছ বুকিঙৰ তুলনাত কালিৰ দিনটোত প্ৰায় ৭৭ লাখ ৰন্ধন গেছ বুকিং হয়। তেওঁ কয় যে বিহাৰ, দিল্লী, হাৰিয়ানা আৰু ৰাজস্থানকে ধৰি কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত চৰকাৰী নিৰ্দেশনা অনুসৰিহে বাণিজ্যিক ৰন্ধন গেছৰ আৱণ্টন দিয়াৰ নিৰ্দেশ দিছে। মন্ত্ৰালয়ে লগতে জনোৱা মতে, ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত বাণজ্যিক ৰন্ধন গেছৰ যোগান ধৰা হৈছে। তেল কোম্পানীসমূহে ইন্ধনৰ কোনো নাটনি হোৱা নাই বুলিও স্পষ্ট কৰি দিছে বুলি তেওঁ উল্লেখ কৰিছে। পেট্ৰ'ল আৰু ডিজেলৰ যোগান নিয়মীয়াকৈ হৈ থাকিব বুলিও তেওঁ উল্লেখ কৰে। দেশত যিহেতু পেট্ৰল আৰু ডিজেল পৰ্যাপ্ত পৰিমানে মজুত আছে

সেয়েহে মন্ত্ৰালয়ে জনসাধাৰণক গেছ বা ইন্ধনৰ নাটনি হ'ব বুলি আতংকিত হোৱাৰ কোনো কাৰণ নাই বুলি উল্লেখ কৰিছে।

ooooo

ৰাছিয়াৰ এয়াৰ ডিফেন্স ছিষ্টেমে আজি দেশখনৰ ৰাজধানী মস্কো অভিমুখী ইউক্ৰেইনৰ ২৮ খন ড্ৰোন ধ্বংস কৰে। মস্কোৰ মেয়ৰ সৰ্গোই চোব্যানিনে আজি সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। অৱশ্যে বিষয়াগৰাকীয়ে ভূস্তৰত হোৱা কোনোধৰণৰ ক্ষয় ক্ষতিৰ সংখ্যা উল্লেখ কৰা নাই। উল্লেখযোগ্য যে মস্কো অভিমুখী ১৬ খন ইউক্ৰেনৰ ড্ৰোনক বাধা দিয়াৰ এদিন পাছতে এই ঘটনা সংঘটিত হয়। ৰাছিয়াৰ অসামৰিক বিমান সংস্থাই এই আক্ৰমণৰ ফলত ৰাজধানীৰ দক্ষিণ পশ্চিম আৰু উত্তৰ পশ্চিমত অৱস্থিত বোনোকোবো আৰু চেৰেমেটেবো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা বিমানৰ উৰণ বাতিল কৰা হয়। ইয়াৰ পূৰ্বে কালি মস্কোৰ ৪ টা প্ৰধান বিমান বন্দৰৰ পৰা এই ড্ৰোন আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেইবাঘণ্টা ধৰি বিমানৰ চলাচল বন্ধ থাকে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সংসদৰ মৌলিক গাথনিৰ ওপৰত গভীৰ বিশ্বাস থকাৰ লগতে দেশৰ সংসদীয় গণতন্ত্ৰৰ নিয়ম, পদ্ধতি, পৰম্পৰাৰ প্ৰতি সদায় অদম্য বিশ্বাস ৰাখিছে বুলি উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁলৈ লিখা এখন পত্ৰৰ উত্তৰত শ্ৰী বিৰলাই এই মন্তব্য কৰে। লোকসভাৰ অধ্যক্ষই কয় যে, প্ৰধানমন্ত্ৰীৰ পত্ৰখনে জনসেৱাৰ উচ্চতম নৈতিক মূল্যবোধ প্ৰকাশ কৰিছে যিবোৰ শ্ৰীমোদীয়ে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা জীৱনত ৰক্ষা কৰি আহিছে। শ্ৰী বিৰলাই কয় যে এই পত্ৰখনে সংসদ, ৰাজ্যিক বিধানসভাসমূহ আৰু স্থানীয় সংস্থাসমূহৰ সকলো নিৰ্বাচিত প্ৰতিনিধিক অনুপ্ৰাণিত কৰিব, আৰু ভাৰতীয় গণতন্ত্ৰৰ শক্তিশালী নৈতিক ভেটি আৰু অধিক শক্তিশালী কৰিব। শ্ৰী মোদীয়ে লোকসভাৰ অধ্যক্ষৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱৰ পৰাজয়ৰ বাবে সাংসদসকলক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে কয় যে গণতন্ত্ৰত মতানৈক্য স্বাভাৱিক। মতামতৰ বৈচিত্ৰ্যই গণতন্ত্ৰক সজীৱ কৰি তোলে। তেওঁ কয় যে অৱশ্যে মতানৈক্য আৰু অসন্মানৰ মাজত স্পষ্ট পাৰ্থক্য থকাটোও সমানেই সত্য। ৰাজনৈতিক মতানৈক্য কেতিয়াবা সংসদীয় শিষ্টাচাৰৰ প্ৰতি অসন্মানলৈ পৰিণত হোৱাটো গণতন্ত্ৰ আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহক বিশ্বাস কৰা সকলোৰে বাবে চিন্তাৰ বিষয়। তেওঁ লগতে কয় যে এনে মুহূৰ্তত আসনত বহি থকা ব্যক্তিজনক পৰীক্ষা কৰা হয়। শ্ৰী মোদীয়ে কয় যে, এই পৰিস্থিতিসমূহ চম্ভালি লোৱা শ্ৰী বিৰলাই প্ৰদৰ্শন কৰা সংযম, ভাৰসাম্য আৰু নিৰপেক্ষতা প্ৰশংসনীয়।

ooooo

কাজাখস্তানৰ জনসাধাৰণে নতুন সংবিধানৰ জনমত সংগ্ৰহ কৰাৰ বাবে ভোটদান কৰিছে। এই সাংবিধানিক পৰিৱৰ্তনৰ জৰিয়তে মধ্য এছিয়াৰ সৰ্ববৃহৎ দেশখনত ৰাষ্ট্ৰপতি কাচিম - জোমাৰ্ট টোকায়েবৰ শাসন অধিক শক্তিশালী কৰিব। এই প্ৰস্তাৱৰ অধীনত কাজাখস্তানৰ দুতৰপীয়া সংসদক একত্ৰিত কৰা হ'ব। ইয়াৰ দ্বাৰা উপৰাষ্ট্ৰপতি পদ বাহাল ৰখাৰ লগতে ৰাষ্ট্ৰপতিক সকলো চৰকাৰী বিষয়াৰ নিযুক্তিৰ ক্ষেত্ৰত ক্ষমতা প্ৰদান কৰা হ'ব। যদি এই সাংবিধানিক প্ৰস্তাৱ গৃহীত হয়, তেন্তে সংসদৰ লগতে এখন নতুন নিকায় আৰু জনপৰিষদ গঢ়ি তোলা হ'ব।

এই নিকায় আৰু পৰিষদৰ আইন প্ৰনয়ন তথা জনমত সংগ্ৰহ কৰাৰ ক্ষমতা থাকিব। ৰাষ্ট্ৰপতিয়ে এই নিকায় আৰু পৰিষদৰ সদস্যসকল নিৰ্বাচিত কৰিব। যোৱা ৪ বছৰত ৭২ বছৰীয়া ৰাষ্ট্ৰপতি টোকায়েবে আৰম্ভ কৰা এয়া হৈছে দ্বিতীয়টো সাংবিধানিক পৰিৱৰ্তন।

০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰণাবীচে অহা কিছুবছৰৰ ভিতৰত পুণেত ২০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰ' ৰে'লপথ গঢ়ি তোলা হ'ব। মেট্ৰ' ৰেলসেৱাৰ এই সম্প্ৰসাৰণৰ বাবে মহাৰাষ্ট্ৰ মেট্ৰ' কৰ্তৃপক্ষক প্ৰয়োজনীয় ৰূপৰেখা প্ৰস্তুত কৰাৰ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পুণে মেট্ৰ'ৰ জিলা সত্ৰ মেট্ৰ' ষ্টেছনত মেট্ৰ ভৱন প্ৰকল্প মুকলি কৰি এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে অহা মে' মাহত এঘাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ শিৱাজীনগৰ-হিনজেৱাড়ী মেট্ৰ' কৰিড'ৰ মুকলি কৰা হ'ব। বাকী ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয়, যে পুণে মেট্ৰ' অন্যতম ব্যস্ততাপূৰ্ণ মেট্ৰ' ষ্টেছন য'ত প্ৰতিদিনে প্ৰায় ২ লাখ ৫০ হাজাৰ যাত্ৰী আহ-যাহ কৰে। গণেশ উৎসৱৰ সময়ত এই সংখ্যা ৫ লাখ ৬৫ হাজাৰলৈ বৃদ্ধি পাই বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে যান-জটৰ ব্যৱস্থা উন্নত কৰি নগৰখনক যান-জট বিহীন কৰাৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই আজি গুজৰাটৰ জুনাগড়ৰ বণ্টৱাত পৌৰ নিগমৰ নৱ নিৰ্মিত ভৱন, উদ্যান আৰু এম্বুলেন্স সেৱা মুকলি কৰে। শ্ৰীমন্দাভিয়াই ভাৰ্চুৱেল ব্যৱস্থাৰ মাধ্যমেৰে মানাৱাদাৰ কেশোদৰ বিধানসভা সমষ্টিৰ ৮ কোটি ৪৩ লাখ ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সাংসদ আৰু বিধায়কসকলৰ সমষ্টিৰ বাবে মুকলি কৰি দিয়া পুঁজিসমূহ সঠিকভাৱে ব্যৱহাৰ হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। এদিনীয়া ভ্ৰমণসূচীৰ অংশ হিচাপে শ্ৰীমন্দাভিয়াই ঘেদ অঞ্চলৰ ফুলৰাম -ঘেদ আৰু মেখদি গাওঁ ভ্ৰমণ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ